জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬০/২০২০

# ১৮ সংখ্যক বড়োলেণ্ড দিৱস উদ্‌যাপনত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## পৰেশ বৰুৱা নেতৃত্বাধীন আলফা (স্বাধীন)ক শান্তি আলোচনাৰ বাবে আহ্বান জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১০ ফেব্ৰুৱাৰী ঃ** 'অসম চৰকাৰে ধাৰ্য কৰা সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ দিশত আগবাঢ়ি যাবলৈ আমি সক্ষম হৈছো। ৰাজ্যখনত চিৰস্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে সকলো সময়তে সকলো শ্ৰেণীৰ সহযোগিতা বিচাৰিছো। শেহতীয়াকৈ কেইবাটাও বড়ো সশস্ত্ৰ সংগঠনে শান্তিৰ পথলৈ আহি এক নজিৰ স্থাপন কৰিছে। আমি পৰেশ বৰুৱা নেতৃত্বাধীন আলফা (স্বাধীন)কো শান্তি প্ৰক্ৰিয়াত জড়িত হ'বলৈ আহ্বান জনালো।' আজি ১৮ সংখ্যক বড়োলেণ্ড দিৱস উদ্‌যাপন উপলক্ষে কোকৰাঝাৰত অনুষ্ঠিত মুকলি সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰিয়েই এখন সন্ত্ৰাসবাদ মুক্ত অসম গঢ়িবলৈ সংকল্প লৈছিল। এই দিশত নিষ্ঠাৰে পদক্ষেপ গ্ৰহণ কৰি চৰকাৰে বহু সফলতা লাভ কৰিছে। ইতিমধ্যে স্বাক্ষৰিত হোৱা তৃতীয় বড়ো শান্তি চুক্তি ইয়াৰ এক নিদৰ্শন। এই শান্তি চুক্তিয়ে বড়ো জনসাধাৰণৰ লগতে বিটিচিত বসবাস কৰা প্ৰতিটো সৰু-বৰ জাতি-জনগোষ্ঠীৰ আশা-আকাংক্ষা বাস্তৱায়িত কৰিব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বড়ো জনগোষ্ঠীয়ে সমন্বয়ৰ দ্বাৰা একত্ৰিত হৈ একবিংশ শতিকাত আদৰ্শ প্ৰতিষ্ঠা কৰিলে। শেহতীয়াকৈ স্বাক্ষৰিত বড়ো শান্তি চুক্তিয়ে সমগ্ৰ দেশবাসীক আনন্দিত আৰু উৎসাহিত কৰিছে। এই চুক্তিৰ সফলতাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে গৃহ মন্ত্ৰী অমিত শ্বাহ, অসম চৰকাৰৰ বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী তথা চুক্তি স্বাক্ষৰকাৰী আটাইকেইটা সংগঠনক ধন্যবাদ জনায়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বড়ো শান্তি চুক্তিয়ে আগবঢ়োৱা পৰিৱেশৰ উপযুক্ত ব্যৱহাৰেৰে বড়ো জাতিৰ শক্তি, সম্ভাৱনীয়তা আৰু সম্পদক উপযুক্ত ভাবে ব্যৱহাৰ কৰি যুৱ চামক সকলো দিশতে আগবঢ়াই নিব লাগিব।

এই শান্তি চুক্তি সম্পৰ্কত কেতবোৰ জাতি-জনগোষ্ঠীৰ লোকে সংশয় প্ৰকাশ কৰা সম্পৰ্কত মন্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বড়ো শান্তি চুক্তিয়ে কোনো জাতি-জনগোষ্ঠীৰে স্বাৰ্থ আৰু অধিকাৰ বিঘ্নিত নকৰে আৰু এই ক্ষেত্ৰত শংকাৰ কোনো কাৰণ নাই। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বড়োসকলৰ সমান্তৰাল ভাবে বিটিচিত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ লোকে সম-মৰ্যাদা আৰু সম-সুবিধা লাভ কৰিব। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে শেতীয়াকৈ স্বাক্ষৰিত

চুক্তিখনৰ জৰিয়তে অসম চৰকাৰে বিটিচিত এটা গ্ৰাম্য উন্নয়ন প্ৰতিষ্ঠান, চাৰিখনকৈ পলিটেকনিক আৰু বৃত্তিমূলক শিক্ষাৰ প্ৰতিষ্ঠান, পশু পালন কলেজ আৰু চিকিৎসালয়, বীৰচা মুণ্ডা সাংস্কৃতিক প্ৰকল্প, স্বামী বিবেকান্দ যুৱ কেন্দ্ৰ, ড° ভূপেন হাজৰিকা সোঁৱৰণী বহুমুখী সাংস্কৃতিক প্ৰেক্ষাগৃহ, গোৰ্খা ভৱন আৰু বড়ো কলা আৰু সংস্কৃতি কেন্দ্ৰ আদি নিৰ্মাণৰ পদক্ষেপ ল'ব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে চাওলুং চ্যু-কা-ফা, বীৰ লাচিত বৰফুকন আৰু চিলাৰায়ৰ আদৰ্শৰে এখন সমন্বয়ৰ অসম গঢ়িবলৈ প্ৰয়াস কৰিছে। তেখেতে কয় যে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়েও অসম চৰকাৰৰ এই আদৰ্শৰে আগুৱাই অঞ্চলটোত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ লোকসকলক সম-উন্নয়নৰ সুযোগ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই পদক্ষেপে সকলোকে আগুৱাই নিয়াৰ লগতে এখন ঐক্য-সম্প্ৰীতি আৰু সমন্বয়ৰ সমাজ গঢ়ি তুলিব। আজিৰ প্ৰতিযোগিতামুখী যুগত ঐক্য আৰু সমন্বয়ৰে আগবাঢ়িলেহে বিশ্বত অসমে নিজৰ সুকীয়া চাপ সৃষ্টি কৰিবলৈ সক্ষম হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত তথা তেওঁলোকক একোগৰাকী সমাজ সচেতন নাগৰিক হিচাপে গঢ়ি তোলাৰ বাবে পৰ্যাপ্ত গুৰুত্ব দিবলৈ অভিভাৱ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

ৰাজ্যখনৰ সৰ্বস্তৰৰ জনসাধাৰণৰ সম-মৰ্যাদা, সম-বিকাশ আৰু সম-অধিকাৰ সুনিশ্চিত কৰাৰ লগতে সামাজিক সুৰক্ষাৰ বাবে অসম চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰে। এই ক্ষেত্ৰত কনকলতা মহিলা সৱলীকৰণ আঁচনি, শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন আঁচনি, দীনদয়াল উপাধ্যায় দিব্যাংগ সাহায্য আঁচনি আৰু কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি সমূহে সমাজৰ সকলো স্তৰৰ জনসাধাৰণক উপকৃত কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সভাত মুখ্যমন্ত্ৰী সোণোৱালে সদৌ অসম চাওতাল ছাত্ৰ সন্থাই পূৰ্বে প্ৰদান কৰা এখন স্মাৰক পত্ৰৰ ওপৰত যথোচিত গুৰুত্ব আৰোপ কৰি অসম চৰকাৰে কেইবালানিও সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ১৯৯৪ ৰ পৰা ১৯৯৮ চনৰ সময়ছোৱাত সংঘটিতগোষ্ঠী সংঘৰ্ষৰ পিছৰ পৰা আজিলৈকে যিসকল লোক নিখোজ হৈ আছে সেইসকলক মৃত বুলি গ্ৰহণ কৰি অসম চৰকাৰে নীতিগতভাবে প্ৰদান কৰিবলগীয়া আৰ্থিক সাহায্য প্ৰদান কৰিব। এই সংঘৰ্ষত প্ৰভাৱিত সকলৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে চাওতাল ভাষাৰ শিক্ষক নিযুক্তিৰ বাবে জনোৱা দাবীটো অসম চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব।

মুখ্যমন্ত্ৰীয়ে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ নেতৃত্বক প্ৰশংসা কৰি কয় যে বিটিচি প্ৰধান গৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস' নীতিক বাস্তৱ ৰূপ দিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে বিজেপি নেতৃত্বাধীন মিত্ৰ জোঁটৰ চৰকাৰখনে ৰাজ্যৰ সকলো স্তৰৰ জনসাধাৰণৰ সৰ্বাংগীন বিকাশৰ বাবে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰি আহিছে বুলি উল্লেখ কৰি কয় যে বিজেপি, অগপ আৰু বিফিএফৰ মিত্ৰতা আগন্তুক দিনসমূহটো বাহাল থাকিব।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কয় যে বড়োলেণ্ড দিৱসৰ উদ্‌যাপন কেৱল বড়ো জাতিৰ বাবে নহয়, বৰঞ্চ বিটিচিত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ বাবে এয়া এক উৎসৱৰ দিন। বিটিচি প্ৰধান গৰাকীয়ে কয় যে তেওঁৰ প্ৰশাসনে ৰাইজক দিয়া প্ৰতিশ্ৰুতি প্ৰায় পূৰণ কৰিবলৈ সক্ষম হৈছে আৰু বহুতো উন্নয়নমূলক প্ৰকল্প সফলতাৰে ৰূপায়ণ কৰিছে। শেহতীয়া ভাবে স্বাক্ষৰিত বড়ো শান্তি চুক্তিক ঐতিহাসিক বুলি মন্তব্য কৰি বিটিচি প্ৰধান গৰাকীয়ে কয় যে এই শান্তি চুক্তিয়ে বিটিচিত অস্ত্ৰ সংস্কৃতিৰ পৰিসমাপ্তি ঘটালে। বিটিচি প্ৰধান গৰাকীয়ে এনডিএফ বিৰ অস্ত্ৰ সম্বৰণকাৰী কেডাৰ সকলৰ পুনৰ সংস্থাপনৰ বাবে ৰূপায়ণ কৰিবলগীয়া পদক্ষেপ সমূহ খৰতকীয়াকৈ গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি এনডিএফবিৰ বিভিন্ন গোচৰত অভিযুক্ত কেডাৰ সকলক সাধাৰণ ক্ষমা প্ৰদানৰ বিষয়টো বিবেচনা কৰিবলৈ চৰকাৰক আহ্বান জনায়। মহিলাৰীয়ে লগতে ঘোষণা কৰে যে শেহতীয়া শান্তি চুক্তিৰ জৰিয়তে ১,৫০০ কোটি টকাৰ যি উন্নয়নমূলক আৰ্থিক পুঁজি চৰকাৰে আগবঢ়াব তাৰ প্ৰায় ৩০০ কোটি টকা অস্ত্ৰ সম্বৰণকাৰী কেডাৰ সকলৰ পুনৰ সংস্থাপনমূলক কাৰ্যসূচীৰ বাবে ব্যয় কৰা হ'ব। বিটিচি প্ৰধান গৰাকীয়ে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা স্বাধীনৰ সৈতে চৰকাৰৰ আলোচনাৰ বিষয়টোক স্বাগতম জনায় আৰু এই সমস্যা সমাধানৰ বাবে চৰকাৰী ভাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ পোষকতা কৰে।

বড়োলেণ্ড দিৱস উদ্‌যাপনৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে সাহিত্যিক টিৰেণ বড়োক প্ৰমোদ চন্দ্ৰ বড়ো সাহিত্য বঁটা, ক্ৰীড়াবিদ থুনলাই নাৰ্জাৰীক ক্ৰীড়া ব্যক্তি বঁটা আৰু শিল্পী ৰহেন্দ্ৰ নাথ ব্ৰহ্মক নিলেশ্বৰ ব্ৰহ্ম সাংস্কৃতিক বঁটা প্ৰদান কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আত্ম সহায়ক গোটলৈ আৰ্থিক সাহায্য আৰু ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ অধীনস্থ আঁচনিৰ হিতাধিকাৰীলৈও আৰ্থিক সাহায্য আগবঢ়ায়।

বিটিচিৰ উপ-প্ৰধান খাম্পা বৰগয়াৰীয়ে আদৰণি ভাষণ আগবঢ়োৱা এই সভাত অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী আৰু আলফা আলোচনী পন্থী গোটৰ নেতা অনুপ চেতিয়াইও ভাষণ প্ৰদান কৰে। এই সভাত অসম চৰকাৰৰ মন্ত্ৰী সকল ক্ৰমে প্ৰমীলাৰাণী ব্ৰহ্ম, চন্দন ব্ৰহ্ম, ৰিহন দৈমাৰী, অসম চৰকাৰৰ কেইবাগৰাকী বিধায়ক, বিটিচিৰ কাৰ্যবাহী সদস্য আৰু পৰিষদৰ সদস্য, বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো, নিখিল বড়ো মহিলা কল্যাণ ফেডাৰেশ্যনৰ সভানেত্ৰী বিভাৰণী নাৰ্জাৰী, শেহতীয়া বড়ো শান্তি চুক্তিৰ স্বাক্ষৰকাৰী কেইবাগৰাকীও এনডিএফ বি নেতা, সদৌ গোৰ্খা ছাত্ৰ সন্থা, বেংগলী ছাত্ৰ ফেডাৰেশ্যন আৰু সদৌ অসম চাওতাল ছাত্ৰ সন্থাৰ প্ৰতিনিধি উপস্থিত থাকে।

বড়োলেণ্ড দিৱসৰ এই কাৰ্যসূচীৰ পূৰ্বে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কোকৰাঝাৰ জিলাৰ দিমাল গাঁৱত অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে নিৰ্মাণ কৰা এটা তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰও মুকলি কৰে। গুৱাহাটী আৰু যোৰহাটৰ পিছতে ৰাজ্যত নিৰ্মাণ কৰা এইটো তৃতীয়টো

তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰ। বড়োলেণ্ড দিৱসৰ কাৰ্যসূচীতে মুখ্যমন্ত্ৰী সোণোৱালে এই তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰটোৰ পৰিচালনা কৰ্তৃত্ব বিটিচি প্ৰশাসনলৈ হস্তান্তৰ কৰি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীক পত্ৰ প্ৰদান কৰে। এতিয়াৰে পাৰে এই তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰ বিটিচি প্ৰশাসনৰ অধীনস্থ সংগ্ৰহালয় আৰু প্ৰত্নতত্ত্ব বিভাগে চোৱা-চিতা আৰু পৰিচালনা কৰিব।

**বীঃগঃ**

**১০/০২/২০২০**